# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-09-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

১। পুণেত বতৰ আৰু জলবায়ু সম্পৰ্কীয় তিনিটা পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটাৰ ৰাষ্ট্ৰৰ প্ৰতি উচৰ্গা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ।

২। বিশ্ব পৰ্যটন দিৱসৰ সৈতে সংগতি ৰাখি মানসত আজি বিশ্ব পৰ্যটন দিৱস উদযাপন।

৩। পিতৃ-মাতৃৰ বন্দনা আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক এইবাৰো বিশেষ ছুটী প্ৰদান।

*আৰু*

৪। কানপুৰত আজি ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে পুণেত বতৰ আৰু জলবায়ু সম্পৰ্কীয় তিনিটা পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটাৰ ৰাষ্ট্ৰৰ প্ৰতি উচৰ্গা কৰে। তিনিওটা পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটাৰ ৰাষ্ট্ৰীয় ছুপাৰ কম্পিউটিং অভিযানৰ অধীনত প্ৰায় ১৩০ কোটি টকা ব্যয় সাপেক্ষে থলুৱাভাৱে বিকশাই তোলা হৈছে।

প্ৰধানমন্ত্ৰীয়ে লগতে বতৰ আৰু জলবায়ু গৱেষণাৰ বাবে এটা উচ্চ ক্ষমতাসম্পন্ন কম্পিউটিং ছিষ্টেমো মুকলি কৰে। অনুষ্ঠানত শ্ৰী মোদীয়ে কয় যে, এই উন্মোচনে একবিংশ শতিকাৰ ভাৰতবৰ্ষই যে বিজ্ঞান, প্ৰযুক্তি আৰু গৱেষণাক অগ্ৰাধিকাৰ দি আগবাঢ়িছে, তাকেই প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে প্ৰযুক্তি আৰু কম্পিউটাৰ ক্ষমতাত প্ৰত্যক্ষভাৱে নিৰ্ভৰ নকৰা কোনো খণ্ড নাই। ভাৰত সম্প্ৰতি সঠিক গতিৰে সঠিক দিশত আগবঢ়াটো কালিৰ উন্মোচনে প্ৰমাণ কৰিছে বুলিও তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে দেশে সম্প্ৰতি আত্মনিৰ্ভৰশীলভাৱে অৰ্ধপৰিবাহী পৰিৱেশতন্ত্ৰ বিকাশৰ কামত আগবাঢ়িছে আৰু ই গোলকীয় যোগান শৃংখলাৰ গুৰুত্বপূৰ্ণ অংশ ৰূপে পৰিগণিত হ'ব।

০০০০

ৰাজ্যৰ পৰ্যটন বিভাগে বড়োলেণ্ড পৰ্যটন বিভাগৰ সহযোগত মানসত আজি বিশ্ব পৰ্যটন দিৱস উদযাপন কৰা হৈছে। বিশ্ব পৰ্যটন দিৱসৰ সমান্তৰালভাৱে আজি পৰ্যটকৰ বাবে মানসৰ প্ৰৱেশ দ্বাৰ মুকলি কৰা হ'ব। ৰাজ্যৰ পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা পৰ্যটন দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে একেটা অনুষ্ঠানতে বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থকাৰ কথাও আছে।

উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষৰ বাবে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলিৰ দিন পূৰ্বে ১ অক্টোবৰ ধাৰ্য কৰা হৈছিল যদিও পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি বিভাগীয় কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় উদ্যানখন আজিৰেপৰা পৰ্যটকৰ কাৰণে পুনৰ মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক ড° চি ৰমেশে এখন জাননীযোগে এই কথা সদৰি কৰিছে।

ইফালে, বিশ্ব পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি লখিমপুৰ জিলাৰ লহন গাঁৱত অৱস্থিত গ্ৰাম্যানুভূতি গ্ৰাম্য পৰ্যটন ক্ষেত্ৰখন আজি সন্ধিয়া আনুষ্ঠানিকভাৱে দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হ'ব। গ্ৰাম্য পৰ্যটনৰ বিকাশ আৰু জিলাখনৰ ঐতিহাসিক তথা চহা গাঁৱলীয়া জীৱনৰ প্ৰতিচ্ছবি পৰ্যটকক আকৰ্ষিত কৰিব পৰাকৈ নতুন

ৰূপত সজাই জনসাধাৰণৰ বাবে মুকলি কৰিবলৈ আয়োজন কৰা এই অনুষ্ঠানত স্থানীয় বিধায়কৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০

পিতৃ-মাতৃৰ বন্দনা আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক এইবাৰো বিশেষ ছুটী প্ৰদান কৰা হ'ব। সেই অনুসৰি  পিতৃ-মাতৃৰ সেৱা শুশ্ৰূষাৰ বাবে ৬ আৰু ৮ নৱেম্বৰৰ দিন দুটা বিশেষ নৈমিত্তিক ছুটী হিচাপে মঞ্জুৰ কৰা হৈছে। চৰকাৰে জাৰি কৰা জাননীখনত লগতে কোৱা হৈছে যে ৭, ৯ আৰু ১০ নৱেম্বৰ দিনকেইটা যিহেতু চৰকাৰী বন্ধৰ দিন সেয়েহে কৰ্মচাৰীসকলে একেলেথাৰিয়ে ৫ দিন বন্ধ পাব। অৱশ্যে অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলে একেটা দিনতে ছুটী ল'ব নোৱাৰিব। জাননীখনত লগতে সকিয়াই দিয়া হৈছে যে ছুটীৰ সময়ছোৱাত কোনো বিষয়া-কৰ্মচাৰীয়ে পিতৃ-মাতৃৰ কাষলৈ যোৱাৰ পৰিৱৰ্তে অৱসৰ বিনোদনত সময় কটালে, তেওঁলোকৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব। ইতিমধ্যে মুখ্যমন্ত্ৰী  হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে এইকথা স্পষ্ট কৰি দিছে।

০০০০০০০০

সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ অংশ হিচাপে সমগ্ৰ ৰাষ্ট্ৰজুৰি ৯ কোটি লাখৰো অধিক কাৰ্যসূচী অনুষ্ঠিত হৈছে। পুষ্টিহীনতা ৰোধ কৰা আৰু সৰ্বাংগীন কল্যাণৰ লক্ষ্যৰে এই বাৰ্ষিক অভিযানৰ অধীনত ৰক্তহীনতা দূৰীকৰণৰ বাবে এক কোটি ৮৮ লাখ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আনহাতে শিশুৰ বিকাশ নিৰীক্ষণৰ লক্ষ্যৰে এক কোটি ৬৮ লাখ আৰু পৰিপূৰক মাতৃ দুগ্ধপানক লৈ এক কোটি ৪৫ লাখ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইপিনে এই অভিযানৰ **পোষণ ভী পঢ়াই ভী** অৰ্থাৎ পুষ্টিৰ লগতে অধ্যয়ন কাৰ্যসূচীৰ অধীনত এক কোটি ৫৯ লাখ কাৰ্যসূচী অনুষ্ঠিত হয়। অন্যান্য কাৰ্যসূচী যেনে জন সজাগতা, পৰিৱেশ সুৰক্ষাকে ধৰি বিভিন্ন বিষয়টো জনসাধাৰণক সচেতন কৰি তুলিবলৈ অনুষ্ঠানৰ আয়োজন কৰা হয়। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই অভিযানৰ অধীনত কাৰ্য ৰূপায়ণত মহাৰাষ্ট্ৰ, বিহাৰ, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, গুজৰাট আৰু অন্ধ্ৰপ্ৰদেশ শীৰ্ষ স্থানত আছে।

০০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন  সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাঁথনি, কৃষক, মধ্যবিত্ত শ্ৰেণী মহিলা আৰু যুৱক-যুৱতীৰ বিকাশত গুৰুত্ব আৰোপ কৰি ১৫ লাখ কোটি টকাৰ বিভিন্ন আঁচনি মুকলি কৰিছে।

চৰকাৰে সামাজিক, আৰ্থিক আৰু ন্যায়িক সবলীকৰণত বিশেষ গুৰুত্ব আৰোপ কৰিছে। চৰকাৰে ঔপনিৱেশিক আইনৰ ঠাইত ৩ খন নতুন আইন প্ৰৱৰ্তন কৰি দ্ৰুত বিচাৰ আৰু ন্যায় সুনিশ্চিত কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰোপৰি চৰকাৰে একীকৃত পেঞ্চন আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২৩ লাখ কৰ্মচাৰীৰ সুবিধাৰ্থে ৫০ শতাংশ পেঞ্চন প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছে। ইয়াৰ উপৰি অৱসৰপ্ৰাপ্ত সুৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণৰ অৰ্থে চৰকাৰে এটা পদ, এটা পেঞ্চন আঁচনিৰো সংশোধন কৰিছে। ইপিনে, এই ১০০টা দিনৰ ভিতৰত ১৫ হাজাৰ যুৱক-যুৱতীক বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত নিযুক্তি দিয়া হৈছে।

০০০০০

অসম নাট্য সন্মিলনৰ ৬৬ সংখ্যক প্ৰতিষ্ঠা দিৱস গুৱাহাটীৰ ৰূপনগৰত থকা স্বতন্ত্ৰ সেনানী ভৱনত আজি দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। অসম নাট্য সন্মিলনৰ বৃহত্তৰ গুৱাহাটী জ্যেষ্ঠ নাগৰিক শিল্পী মঞ্চৰ উদ্যোগত আৰু অসম ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলনৰ সহযোগত উদযাপন কৰিবলগীয়া প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসৰ পতাকা উত্তোলনেৰে আৰম্ভ হ'ব। অনুষ্ঠানত নাটকৰ্মীৰ দৃষ্টিৰে চৌখিন নাট্যদলৰ সমকালীন মঞ্চ কথা বিষয়ক বক্তৃতা দিব বিশিষ্ট নাট্যকাৰ তথা পৰিচালক ড° শ্যামাপ্ৰসাদ শৰ্মাই।

০০০০০০০

রাষ্ট্রীয় তদন্তকাৰী সংস্থা এন আই এ ৰাজ্যখনৰ বিভিন্ন স্থানত আই ই ডি সদৃশ সামগ্ৰী সংস্থাপনৰ ঘটনাৰ মূল অভিযুক্তজনক কালি গ্ৰেপ্তাৰ কৰে। গিৰীশ বৰুৱা ওৰফে গৌতম বৰুৱা নামৰ এই লোকজনক বেংগালুৰুৰ উপকণ্ঠ অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। চলিত বছৰৰ স্বাধীনতা দিৱস উদযাপনৰ প্ৰতিবাদ জনাই উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে ৰাজ্যজুৰি বিভিন্ন স্থানত এনে ধৰণৰ বিস্ফোৰক সামগ্ৰী সংস্থাপন কৰা ঘটনাৰ গোচৰত এই লোকজনক গ্ৰেপ্তাৰ কৰা হয়। লোকজনক বেংগালুৰৰ এন আই এ আদালতত হাজিৰ কৰোৱাৰ পাছত আদালতে গুৱাহাটীৰ এন আই এৰ বিশেষ আদালতত হাজিৰ কৰোৱাৰ বাবে নিৰ্দেশ দিয়া হৈছে। এই সন্দৰ্ভত অধিক তথ্য জনাব আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই –

(বাইট)

oooooo

গুৱাহাটীৰ মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰত আজিৰ পৰা অহা ১৮ অক্টোবৰলৈ আন্তঃৰাষ্ট্ৰীয় গুৱাহাটী বাণিজ্য মেলা অনুষ্ঠিত হৈছে। উত্তৰ-পূব ভাৰতৰ আটাইতকৈ বৃহৎ আৰু পুৰণি বাণিজ্যিক প্ৰদৰ্শনী হিচাপে পৰিগণিত হোৱা এই মেলাত এইবাৰ থাইলেণ্ড, তুৰস্ক, আফগানিস্তান, ডুবাই, কোৰিয়া আৰু বাংলাদেশকে ধৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ২০০খন বিপণীয়ে অংশগ্ৰহণ কৰিছে। ৩০ ছেপ্তেম্বৰৰ সন্ধিয়া ক্ৰিকেট কণ্ট্ৰোল বোৰ্ডৰ যুটীয়া সম্পাদক দেৱজিৎ শইকীয়া, অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, বিশিষ্ট কাৰ্ডিঅ'লজিষ্ট ডাঃ নীল বৰদলৈ, ৱাইল্ডলাইফ বায়োলজিষ্ট ড০ পূৰ্ণিমা দেৱী বৰ্মনকে ধৰি কেইবাগৰাকীও ব্যক্তিক গুৱাহাটী বাণিজ্য মেলা উৎকৰ্ষ বঁটা প্ৰদান কৰা হ'ব।

কানপুৰত আজি ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল।

oooooooo

কামৰূপ মহানগৰ জিলা প্ৰশাসনে সমাগত শাৰদীয় দুৰ্গা পূজা সুকলমে উদযাপনৰ বাবে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। প্ৰশাসনে পূজা সমিতিসমূহক জনসাধাৰণৰ সুৰক্ষাৰ সৈতে জড়িত এই নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। এই অনুসৰি পূজা মণ্ডপ নিৰ্মাণত বিশেষকৈ বৈদ্যুতিক কাম-কাজৰ ক্ষেত্ৰত অত্যন্ত সাৱধানতা অৱলম্বন কৰিবলৈ কোৱা হৈছে। সকলো পূজা সমিতিক আগতীয়াকৈ লোকনিৰ্মাণ বিভাগ, মুখ্য বিদ্যুৎ উপদেষ্টা আৰু অগ্নিনিৰ্বাপন বিভাগৰ পৰা আপত্তিবিহীনতা প্ৰমাণপত্ৰ ল'বলৈ কোৱা হৈছে। মণ্ডপসমূহত জনসাধাৰণৰ প্ৰৱেশ আৰু প্ৰস্থানৰ সুকীয়া পথ ৰাখিবলৈ পৰামৰ্শ দিয়া হৈছে। তদুপৰি জৰুৰীকালীন সহায়ৰ বাবে চিকিৎসকৰ দল সাজু কৰি ৰখাৰ উপৰি স্থানীয় থানাত আগতীয়াকৈ যোগাযোগ কৰি ৰাখিবলৈ কোৱা হৈছে। পূজা মণ্ডপত ভিৰ নিয়ন্ত্ৰণৰ বাবে স্বেচ্ছাসেৱক নিয়োগ কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে। তদুপৰি পূজাথলীত খোৱাপানী আৰু পোহৰৰ ব্যৱস্থা, স্বচ্ছতা আৰু পৰিচ্ছন্নতা বজাই ৰখাটো বাধ্যতামূলক বুলি কোৱা হৈছে। মণ্ডপসমূহত কোনোধৰণৰ মাদক দ্ৰব্য ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। ৰাজহুৱা স্থানত আগতীয়া অনুমতি অবিহনে পূজা মণ্ডপ স্থাপনত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। মণ্ডপসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত যান-বাহন ৰখোৱাত বাধা আৰোপ কৰা হৈছে। তদুপৰি পলিথিনৰ ব্যৱহাৰ মুক্ত কৰি ৰখাৰ বাবে পূজা সমিতিসমূহক আহ্বান জনোৱা হৈছে।

বৰপেটা জিলাতো সমাগত দুৰ্গা পূজা সুকলমে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত জিলা প্ৰশাসনে কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি পূজা অনুষ্ঠিত কৰাৰ বাবে উদযাপন সমিতিসমূহে অহা ৭ অক্টোবৰৰ পূৰ্বে নিজৰ নিজৰ ৰাজহ চক্ৰ বিষয়াৰ ওচৰত আবেদন দাখিল কৰি অনুমতি ল'ব লাগিব। নিৰাপত্তাৰ দিশটোৰ প্ৰতি গুৰুত্ব আৰোপ কৰি পূজা উদযাপন সমিতিসমূহে পূজাথলীত পৰ্যাপ্ত

সংখ্যক স্বেচ্ছাসেৱক নিয়োগ কৰাৰ লগতে নিজাকৈও নিৰাপত্তাৰক্ষী নিয়োগ কৰিব লাগিব। ইয়াৰ উপৰি নিশা ১০ বজাৰ পাছত মাইকৰ ব্যৱহাৰ কৰিব নোৱাৰিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০০০০

শিশুসকলৰ মাজত কুকুৰৰ সৈতে স্বাস্থ্যকৰ সম্পৰ্ক গঢ়ি তোলাৰ লগতে ৰেবিজ ৰোগৰ বিপদ সম্পৰ্কে সজাগতা বৃদ্ধিৰ উদ্দেশ্যে বিশ্ব ৰেবিজ সপ্তাহ পালন কৰা হৈছে। ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে শোণিতপুৰ জিলাৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে মাকলিঅ'ড ৰাছেল, মিছন ৰেবিজ আৰু ডব্লিউ ডব্লিউ এফৰ সহযোগত বিশ্ব ৰেবিজ সপ্তাহ উদযাপন কৰিছে। **ব্ৰেকিং ৰেবিজ বাউণ্ডেৰীজ** শ্লোগানেৰে সচেতনতা বৃদ্ধিৰ বাবে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। এই উদ্দেশ্যে তৰাজুলি চাহ বাগিচাৰ এল পি স্কুলত অনুষ্ঠিত অনুষ্ঠানত প্ৰায় ৬০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কুকুৰৰ লগত কেনেদৰে থাকিব লাগে, কুকুৰৰ কামোৰৰ পৰা কেনেকৈ বাচিব আৰু ৰেবিজৰ প্ৰতি সচেতনতা বৃদ্ধি কৰিবলৈ বিভিন্ন কাৰ্যসূচী হাতত লোৱা হয়।

০০০০০০০০

ৰাজ্যখনৰ এখন বিদ্যালয়ত অলপতে এজন ছাত্ৰক একেখন বিদ্যালয়ৰ ছাত্ৰই আক্ৰমণ কৰি হত্যা কৰা বুলি উঠা অভিযোগৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলাৰ বিভিন্ন চৰকাৰী, প্ৰাদেশীকিকৃত অথবা ব্যক্তিগত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়লৈ নিয়া বেগসমূহ তালাচী চলাবলৈ নিৰ্দেশ দিয়া হৈছে। পাঠদান আৰম্ভ হোৱাৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলৰ বেগসমূহ পৰীক্ষা কৰি তাত চোকা অস্ত্ৰ, অস্ত্ৰ-শস্ত্ৰ, মাদকদ্ৰব্য, গুটখা, ধঁপাত, চিগাৰেট আদি সামগ্ৰী জব্দ হোৱা মাত্ৰেই ব্যৱস্থা ল'বলৈ কোৱা হৈছে। এনে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকক ততালিকে অৱগত কৰাৰ উপৰি কামৰূপ মহানগৰ জিলাৰ সৰ্বশিক্ষা অভিযানৰ জিলা মিছন সমন্বয়কক অৱগত কৰিবলৈ কোৱা হৈছে। এই নিৰ্দেশ সকলো বিদ্যালয়কে কঠোৰভাৱে মানি চলিবলৈ কোৱা হৈছে।

০০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল আজি কাণপুৰৰ গ্ৰীণ পাৰ্ক ষ্টেডিয়ামত আৰম্ভ হ'ব । চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত আলহী দলক পৰাস্ত কৰাৰ পাচত ভাৰতে শৃংখলাটো ২-০ ফলাফলেৰে হস্তগত কৰাৰ আপ্ৰাণ প্ৰয়াস কৰিব।

প্ৰথমখন টেষ্টত ৰোহিত শৰ্মা নেতৃত্বাধীন ঘৰুৱা দলটোৱে বাংলাদেশক ২৮০ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে শৃংখলাত অগ্ৰগতি লাভ কৰিছে।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বি চি চি আইৰ তথ্য অনুসৰি দ্বিতীয়খন টেষ্টৰ বাবে ভাৰতীয় দলত থকা খেলুৱৈসকল হ'ল- ৰোহিত শৰ্মা, য়শস্বী জয়ছৱাল, শুভমন গিল, বিৰাট কোহলী, কে এল ৰাহুল, চৰফৰাজ খান, ঋষভ পন্ত, ধ্ৰুৱ জুৰেল, আৰ অশ্বিন, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, কুলদীপ যাদৱ , মহম্মদ চিৰাজ, আকাশ দীপ, জছপ্ৰিত বুমৰাহ আৰু য়শ দয়াল।

০০০০০০

ত্ৰয়োদশ বিত্ত আয়োগৰ সময়ৰ পৰা অসমে পাই অহা কেন্দ্ৰীয় কৰৰ অংশৰ পৰিমাণ ক্ৰমশঃ হ্ৰাস পাই থকাৰ বাতৰিটো দৈনিক অসম, দি আছাম ট্ৰিবিউন, দ্য ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যখনৰ এখন বিদ্যালয়ত অলপতে এজন ছাত্ৰক একেখন বিদ্যালয়ৰ ছাত্ৰই আক্ৰমণ কৰি হত্যা কৰা বুলি উঠা অভিযোগৰ পাছত কামৰূপ মহানগৰ জিলাৰ বিভিন্ন চৰকাৰী, প্ৰাদেশিকৃত অথবা ব্যক্তিগত

বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়লৈ নিয়া বেগসমূহ তালাচী চলাবলৈ নিৰ্দেশ দিয়া হৈছে। এই বাতৰিটো আমাৰ অসম কাকতে তালাচী কৰা হ'ব শিক্ষাৰ্থীৰ স্কুল বেগ শিৰোনামেৰে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদ, শীঘ্ৰেই এই স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰৰ দাবী দল-সংগঠনৰ -এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে আৰ্থিক শোষণৰ বলি মধ্যবিত্ত-নিম্নবিত্ত শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

একেটা বাতৰিকে অসমীয়া খবৰ কাকতে স্মাৰ্ট মিটাৰ বন্ধৰ দাবীত ৰাজ্যজুৰি যুৱ ছাত্ৰ পৰিষদৰ ধৰ্ণা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জনস্বাস্থ্যত ৩০০ প্ৰাৰ্থীক অভিযন্তা বিষয়াৰ নিযুক্তি প্ৰদানৰ বাতৰিটো অসমত অভিযন্তা চিকিৎসকৰ সোণালী দিন আৰম্ভ হৈছে -এই শিৰোনামেৰে দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

একেটা বাতৰিকে অসমীয়া প্ৰতিদিন কাকতে স্বচ্ছ নিযুক্তিয়ে ৰাজ্যক বিকাশৰ পথলৈ আগুৱাই নিব শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চলিত বছৰৰ স্বাধীনতা দিৱস উদযাপনৰ প্ৰতিবাদ জনাই উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে ৰাজ্যজুৰি বিভিন্ন স্থানত বিস্ফোৰক সামগ্ৰী সংস্থাপন কৰা ঘটনাৰ গোচৰত এজন লোকক গ্ৰেপ্তাৰৰ বাতৰিটোক নিয়মীয়া বাৰ্তা কাকতে বেংগালুৰুত গ্ৰেপ্তাৰ আলফা স্বাধীনৰ সদস্য শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে যোগীঘোপাত উচ্ছেদক লৈ উত্তেজনা, চুমি-বিশাল-তাৰ্কিকক মুখামুখিকৈ বহুৱাই মাৰাথন জেৰা এছ্ আই টিৰ, চৰাইদেউ আৰক্ষীয়ে জিম্মাত ললে দুলাল বৰাক ইত্যাদি।

এয়াই আছিল আজি প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন।

00000000

**সমাপ্ত**